অসম চৰকাৰ

# জিলা উপায়ুক্তৰ কাৰ্যালয় ::: ধুবুৰী জিলা

( নজৰত শাখা )

## জাননী

অসম চৰকাৰৰ নিৰ্দ্দেশ অনুসৰি ইয়াৰ দ্বাৰা সকলোকে জনোৱা যায় যে, অহা ইং ২৪-১১-২০২২ তাৰিখে বীৰ লাচিত বৰফুকনৰ ৪০০ তম জন্ম জয়ন্তী সমগ্ৰ অসমৰ লগতে ধুবুৰী জিলাতো উদযাপন কৰা হ'ব। তদুপলক্ষে বীৰজনাৰ জীৱনী /দেশপ্ৰেম আদিৰ ওপৰত জনসাধাৰণৰ মাজত বহুল প্ৰচাৰৰ বাবে চৰকাৰে কেইবালানি অনুষ্ঠান গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত বীৰ লাচিত বৰফুকনৰ জীৱনৰ লগত সংগতি ৰাখি লিখনি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

এই লিখনি প্ৰতিযোগিতাত বিদ্যালয় / মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, চৰকাৰী-বেচৰকাৰী সংস্থা তথা বিষয়া / কৰ্মচাৰী, বিভিন্ন স্তৰৰ নিৰ্বাচিত জন প্ৰতিনিধি তথা সকলো স্তৰৰ নাগৰিকে অংশগ্ৰহণ কৰিব পাৰিব।

উক্ত ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণৰ নিয়মাৱলী আৰু চৰ্তসমূহ তলত উল্লেখ কৰা হ'ল :-

- উক্ত ৰচনা চৰকাৰে প্ৰদান কৰা Pre-formatted Booklet তে লিখিব লাগিব।
- প্ৰতিজন অংশগ্ৰহণকাৰীক ৩ (তিনি) খনকৈ Pre-formatted Booklet প্ৰদান কৰা হ'ব।
- ৰচনা খন উক্ত Pre-formatted Booklet ৰ এপিঠিত হে লিখিব পাৰিব। তিনিখনতকৈ অধিক পৃষ্ঠাৰ প্ৰয়োজন হলে, উকা কাগজ ব্যাৱহাৰ কৰিব পাৰিব।
- ৰচনা সমূহ **'Lachit Barphukan'** mobile app যোগে অহা ইং **১৯-১১-২০২২** তাৰিখে upload কৰিব লাগিব।
- সমাজৰ যি কোনো স্তৰৰ ইচ্ছুক নাগৰিকে Pre-formatted Booklet সমূহ নিজ নিজ এলেকাৰ পৌৰসভাৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় তথা গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

উপায়ুক্ত, ধুবুৰী

স্মাৰক নং ডি.এন.জেড-১৪/২০২২/ ৩৪ - ক

তাং ১৫-১১-২০২২

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বিহিতাৰ্থে প্ৰেৰণ কৰা হ'ল –

১) আৰক্ষী অধীক্ষক, ধুবুৰী জিলা।
২) মহকুমাধিপতি, বিলাসীপাৰা।
৩) ধুবুৰী জিলাৰ সমূহ চক্ৰ বিষয়া।
৪) কাৰ্যবাহী বিষয়া, ধুবুৰী জিলাৰ সমূহ পৌৰসভা।
৫) ধুবুৰী জিলাৰ সমূহ খণ্ড উন্নয়ন বিষয়া।
৬) ধুবুৰী জিলাৰ সমূহ বিভাগীয় কৰ্তৃপক্ষ।
৭) তথ্য আৰু জন সংযোগ বিষয়া, ধুবুৰী।
৮) ডি.আই.ও., এন.আই.চি, ধুবুৰী।

উপায়ুক্ত, ধুবুৰী